স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

□ ষষ্ঠদশ বছৰ □ সংখ্যা ১৭৬ □ দেওবাৰ □ ১২ ভাদ ১৯৪৮ শক □ ১৪৩৩ ভাস্কৰাব্দ □ ৩০ আগষ্ট ২০২৬ চন □ VOL-16 □ NO-176 □ SUNDAY 30 AUGUST 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE

## সুপ্ৰভাত


আজিৰ দিনটোতে—

- তুৰস্কৰ বিজয় দিৱস
- কাজাখাস্তানৰ সংবিধান দিৱস
- ১৯৮৪ত এছটিএছ-৪১ ডি স্পেচ চাটল ডিস্ক ভাৰীৰ যাত্ৰা
- ১৯৭২ত অভিনেত্ৰী কেমেৰুণ ডিয়াজৰ জন্ম
- ১৮৭০ত কবি মফিজুদ্দিন আহমদ হাজৰিকাৰ জন্ম
- ১৯৩০ত ধনী ব্যৱসায়ী বাৰেন বাফেটৰ জন্ম

Estd.
Date..........

# ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত বিশ্ব সংস্কৃত দিৱস উদ্‌যাপন

## সংস্কৃত ভাষা হৈছে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এক নতুন দিগন্ত ঃ অধ্যক্ষ ড° শইকীয়া




বিশেষ বাৰ্তা, ডিব্ৰুগড, ২৯ আগষ্ট ঃ সংস্কৃত ভাষা হৈছে বিজ্ঞান আৰু তথ্য-প্ৰযুক্তিৰ এক নতুন দিগন্ত। সংস্কৃত ভাষাক কেৱল পৰম্পৰা আৰু ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ ভাষা হিচাপে সীমাবদ্ধ নাৰাখি আধুনিক জ্ঞান-বিজ্ঞান, প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সৈতে সংযোগ কৰিলেহে ভাৰতবৰ্ষই নিজৰ স্থিতি অটুট ৰাখিব পাৰিব। ডিএইচএছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ সংস্কৃত বিভাগ আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ যৌথ উদ্যোগত অনুষ্ঠিত 'বিশ্ব সংস্কৃত দিৱস'ত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এইদৰে কয়। তেওঁ কয় যে সংস্কৃত ভাৰতীয় সভ্যতা, জ্ঞান আৰু দৰ্শনৰ এক অমূল্য ভঁৰাল। কিন্তু সময়ৰ পৰিৱৰ্তনৰ সৈতে ভাৰততে সংস্কৃত ভাষাৰ ব্যৱহাৰ ক্ৰমাৎ সীমিত হৈ অহাটো চিন্তাৰ বিষয়। অধ্যক্ষগৰাকীয়ে কয়— পূজা-অৰ্চনা আৰু প্ৰাচীন পুথিৰ মাজতে সংস্কৃত

১০ পৃষ্ঠাত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

১৪৩৩ ভাস্কৰাব্দ □ ৩০ আগষ্ট ২০২৬ চন □ VOL-16 □ NO-176 □ SUNDAY 30 AUGUST 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBR

বাগিচা উচ্ছেদ
মিক জনগণৰ
চাহ গছ কাটি,
দৌ অসম চাহ
চাহ বাগিচাৰ
জি তেল আৰু
তবাদী কাৰ্যসূচী
ক বিষয়ববীয়া
বি, ফকলেণ্ড,
গিচাৰ শ্ৰমিক
বাদ অব্যাহত
মিক জনগণৰ
তি বন্ধ কৰা
টছাই বাগিচা

এখন চাইকেল
াকানখন খুলি
ত পৰে। সেই
পৃষ্ঠ হয় আৰু
ানীয় ৰাইজে
ত মৃতদেহটো
চাহ জনজাতি
ৰ যে বিদ্যুৎ
চন কৰিছে।
নুসৰি শাস্তি
ৰাৰ লগতে
তথা সংশ্লিষ্ট

## ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ত

ভাষাক আবদ্ধ কৰি ৰখাৰ পৰিৱৰ্তে আধুনিক শিক্ষা আৰু দৈনন্দিন জীৱনৰ সৈতে ইয়াক অধিক সংযুক্ত কৰাৰ প্ৰয়োজন আহি পৰিছে। অনুষ্ঠানটিত উপস্থিত থাকি মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অনুপজ্যোতি ভৰালীয়ে সংস্কৃত ভাষাৰ তাৎপৰ্যৰ বিষয়ে উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক সংস্কৃত ভাষা আৰু সাহিত্য অধ্যয়নৰ বাবে আহ্বান জনায়। সংস্কৃত ভাষা সংৰক্ষণ আৰু সংবৰ্ধনৰ প্ৰতি লক্ষ্য ৰাখি এনে অনুষ্ঠান আয়োজন কৰাৰ প্ৰয়োজনীতাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে আৰু দুয়োখন মহাবিদ্যালয়ৰ উদ্যোক্তাসকলৰ শলাগ লয়। অনুষ্ঠানটিত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়, ডিব্ৰুগড়ৰ শিক্ষক ৰূপেশ সিঙে সংস্কৃত ভাষা শিকাৰ প্ৰয়োজনীয়তাৰ ওপৰত উদাহৰণসহ আলোকপাত কৰে। অনুষ্ঠানটিৰ লগত সংগতি ৰাখি কেন্দ্ৰীয় সংস্কৃত বিশ্ববিদ্যালয়ৰ অধীনৰ কানৈ মহাবিদ্যালয়ৰ সংস্কৃত শিক্ষণ কেন্দ্ৰৰ শিক্ষয়িত্ৰী বৈশাখী টিকদাৰৰ তত্ত্বাৱধানত অনুষ্ঠিত দৈনন্দিন জীৱনত প্ৰয়োজনীয় সা-সামগ্ৰীৰ সংস্কৃতৰ নামসহ এখন প্ৰদৰ্শনী উন্মোচন কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। অনুষ্ঠানত ডিব্ৰুগড়স্থিত বিৰাজ আশ্ৰমৰ তৰফৰ পৰা বিগত বৰ্ষসমূহত দি অহাৰ দৰে ২০২৫-২৬ বৰ্ষৰ কানৈ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ পৰা সৰ্বোচ্চ নম্বৰসহ উত্তীৰ্ণ ছাত্ৰ যতীন্দ্ৰ সোণোৱালক মানপত্ৰ আৰু নগদ দহ হাজাৰ টকাৰ এখন চেক প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলে এখনি চুটি নাটক পৰিৱেশন কৰাৰ লগতে কানৈ মহাবিদ্যালয় আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলে সংস্কৃত কবিতা আবৃত্তি, শ্লোক পাঠ আৰু গীত পৰিৱেশন কৰি সকলোকে আপ্লুত কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈ, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকনৰ লগতে দুয়োখন মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা আৰু দুই শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

সম্পদৰ মুখ্য কাৰ্যালয়ৰ আৱাসিক এলেকাত অৱস্থিত আদৰ্শ বিদ্যা
আশায়ে ফাউণ্ডেচনে। লগতে আশায়ে ফাউণ্ডেচন সামাজিক সংগঠনৰ
শিক্ষয়িত্ৰী আৰু শিক্ষাৰ্থীসকলৰ লগত মত বিনিময় কৰে। মত বিনিম
সাংবাদিক ভাস্কৰজ্যোতি মহন্তক আন কোনেও সহায় নকৰা বিদ্যাল
দিয়া বাবে ধন্যবাদ জনায় লগতে অনগত দিনবোৰত যিমানদূৰ স
আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। বিদ্যালয়ৰ তৰফৰ পৰা আশায়ে য
যুৱ সাংবাদিক ভাস্কৰজ্যোতি মহন্তক এখন গামোচাৰে সম্বৰ্ধনা জনায়।

## চৰাইদেউত ছাত্ৰীক অশ

লগে লগে প্ৰধান শিক্ষকগৰাকীয়ে ছাত্ৰী দুগৰাকীক কিবা অজুহাত দে
শিক্ষকগৰাকীয়ে অশালীন ব্যৱহাৰ কৰা দুগৰাকীৰ ভিতৰত এগৰাকী বি
শিক্ষকগৰাকীৰ এনে ব্যৱহাৰত লজ্জিত ছাত্ৰী দুগৰাকীয়ে মাতৃৰ আগত ঘটনা
লগতে চুবুৰীয়াৰ মাজত ক্ষোভৰ উদ্‌গীৰণ ঘটে। কালি বিদ্যালয় আৰম্ভ হোৱাৰ
উপস্থিত হৈ পৰহি ছাত্ৰী দুগৰাকীক অশালীন ব্যৱহাৰ কৰা সন্দৰ্ভত প্ৰধান
প্ৰধান শিক্ষকগৰাকীয়ে ওলোটাই এখন দা লৈ ৰাইজক খেদি যায়। প্ৰধান
ৰাইজ ক্ষুব্ধ হৈ প্ৰধান শিক্ষকগৰাকীক উত্তম-মধ্যম শোধোৱাৰ লগতে বা
বৰহাট আৰক্ষীক খবৰ দিয়াত বৰহাট আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ
বৰহাট থানালৈ আনে। ইতিমধ্যে প্ৰধান শিক্ষকগৰাকীৰ বিৰুদ্ধে ভুক্তভোগী
থানাত ৰুজু কৰা গোচৰৰ ভিত্তিত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি আদালতত হাজি

## নুমলীগড়ত পুষ্প অনুৰ

আয়োজিত অনুষ্ঠানটোত অঞ্চলটোৰ বহু গণ্য-মান্য ব্যক্তি, শিক্ষক-শিক্ষ
কৰে। উল্লেখ্য যে ২০২৩ চনৰ ২৮ আগষ্টত নুমলীগড়ত পুষ্প অনুৰাগী মিল
বৰ্ষপূৰ্তি উপলক্ষে আয়োজিত অনুষ্ঠানটো শিক্ষয়িত্ৰী গীতিৰেখা দোয়ে আঁত ধ
অনুষ্ঠানৰ শুভাৰম্ভ কৰে ধনশিৰি ভেলী পাব্লিক স্কুলৰ অধ্যক্ষ প্ৰভাজ্যোতি কে
সমিতিৰ হৈ ড° বেদব্ৰত বাৰৈ আৰু স্মৃতিৰেখা শৰ্মা বাৰৈৰ লগতে বিদ্যালয়খ
থাকি সহযোগিতা আগবঢ়ায়। সভাৰ আৰম্ভণিতে মঞ্চৰ সক্ৰিয় সদস্য ৰাজশ্ৰী ব
কৰে। ভাষণত তেওঁ কয় যে সমাজত ফুল আৰু উদ্ভিদৰ প্ৰতি মানুহৰ আগ্ৰহ
মানুহৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাই মঞ্চৰ অন্যতম মূল লক্ষ্য। ফুল-উদ্ভিদৰ
সুন্দৰ পৰিৱেশ গঢ়ি তোলাৰ লগতে নৱপ্ৰজন্মক প্ৰকৃতি সংৰক্ষণৰ প্ৰতি সচে